# মগনিয়াৰ  কবি- যতীন্দ্র নাথ দুৱৰা

---

**অতি চমু প্ৰশ্ন  মূল্যাংকঃ ১**

প্ৰশ্ন ১.অসমীয়া সাহিত্যত প্ৰথম কথা-কবিতা ৰচনা কৰা কবিগৰাকী কোন?

উত্তৰঃ যতীন্দ্ৰনাথ দুৱৰা ।

প্ৰশ্ন ২.কবি যতীন্দ্র নাথ দুৱৰাৰ জন্ম কিমান চনত হৈছিল ?

উত্তৰঃ ১৮৯২ চনত শিৱসাগৰৰ আমোলাপট্টিত যতীন্দ্ৰনাথ দুৱৰাৰ জন্ম হয় ।

প্ৰশ্ন ৩.যতীন্দ্ৰনাথ দুৱৰাক কি কবি বুলি কোৱা হয় ?

উত্তৰঃ যতীন্দ্ৰনাথ দুৱৰাক বনফুলৰ কবি বুলি কোৱা হয় ।

প্ৰশ্ন ৪.‘ওমৰ তীৰ্থ ’ পুথিখনি কোনখন পুথিৰ ভাবানুবাদ ?

উত্তৰঃ ‘ওমৰ তীৰ্থ ’ পুথিখন ওথম খায়ামৰ ৰুবায়েট’ৰ ভাবানুবাদ  ।

প্ৰশ্ন ৫. যতীন্দ্ৰনাথ দুৱৰাই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বটা লাভ কৰিছিল ?

উত্তৰঃ যতীন্দ্ৰনাথ দুৱৰাই ‘বনফুল’ কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বটা লাভ কৰিছিল ।

## চমু প্ৰশ্ন (আৰ্হি নং ১) মূল্যাংকঃ ২

প্ৰশ্ন ১.কথা কবিতা বুলিলে কি বুজা? কথা কবিতাৰ পাঁচটা বৈশিষ্ট্য লিখা ।

উত্তৰঃ কথা কবিতা এক প্ৰকাৰৰ কবিতাই । ইয়াত ভাব প্ৰকাশৰ মাধ্যমৰূপে গদ্য কথাকহে নিৰ্বাচন কৰি লোৱা হয় । কথাকবিতা পদ্যময় ৰচনা । কথা কবিতাক আমি কবিত্বময়ী গদ্যত ভাৱ কথা লিখাৰ ভংগী বা ৰীতি বুলিব পাৰি ।

কথা কবিতাৰ পাঁচটা বৈশিষ্ট্যঃ

(ক) কথা কবিতাত ৰূপকৰ সমাৱেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক ।

(খ) কথা কবিতা চিত্ৰ ধৰ্মিতাৰ ওপৰত প্ৰতিৰ্ষ্ঠিত ।

(গ) ভাবেই ইয়াৰ প্ৰধান বস্তু । ইয়াত মাত্ৰ এটিহে কেন্দ্ৰস্থ ভাব থাকে ।

(ঘ) কথা-কবিতাত ধ্বনি ভাষাৰ ব্যঞ্জনা মাথোন ।

(ঙ) কথা-কবিতাৰ লক্ষ্য হৈছে ৰূপ বা দৃশ্য বস্তুত সজীৱতা আৰোপ কৰা ।

প্ৰশ্ন ২.ওমৰ খায়াম কোন? তেওঁ ৰচনা কৰা পুথি এখনৰ নাম লিখা ।

উত্তৰঃ ওমৰ খায়াম এগৰাকী ফাৰ্চী ছুফী কবি আছিল । তেওঁ ৰচনা কৰা এখন পুথিৰ নাম ‘ৰুবায়ত’ ।

প্ৰশ্ন ৩.মগনিয়াৰজনে কবিৰ পৰা কি দান পোৱাৰ কথা কৈছে ?

উত্তৰঃ কবি যতীন্দ্ৰনাথ দুৱৰাই এদিন বাটেৰে গৈ আছিল। তেনেতে এটা বুঢ়া বেমাৰী হাড়-ছাল ওলোৱা মগনিয়াৰ আহি কবি দুৱৰাৰ সন্মুখত থিয় হৈছে। মগনিয়াৰজনৰ ওঁঠ শেতা, চকু দুটা ৰঙা আৰু গাত ফটা কাপোৰে দৰিদ্ৰতাৰ শোকদায়ক ছবি দাঙি ধৰিছে। মগনিয়াৰজনে তাৰ উখহা অপৰিস্কাৰ হাত এখন মেলি কবিক সহায় খুজিলে। কবিয়ে মোনাত হাত সুমুৱাই একোকে নাপালে। টকা, ঘড়ী আনকি এখন ৰুমালো কবিৰ লগত নাছিল। মগনিয়াৰজনৰ দুৰ্বল কঁপি থকা শৰীৰ দেখি লৰালৰি কৈ ওচৰলৈ গৈ কবিয়ে হাত দুখনক সাৱতি ধৰি একোৱেই লগত নথকাৰ কথা কৈ খং নকৰিবলৈ কলে।

মগনিয়াৰজনে শেতা ওঁঠ দুখনৰে হাঁহি হাতত ধৰি কবিয়ে দেখুওৱা সহানুভূতিৰ বাবে প্ৰশ্নোদ্ধৃত কথাখিনি কৈছিল আৰু অশেষ ধন্যবাদ জনালে। লগতে, মগনিয়াৰজনে তেনে মানৱীয়তা আৰু সহানুভূতিক এক প্ৰকাৰ দান বুলিলে।

প্ৰশ্ন ৪. “ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।”- কোনে, কি প্ৰসংগত এই কথাখিনি কৈছিল জুকিয়াই লিখা।

উত্তৰঃ কবি যতীন্দ্ৰনাথ দুৱৰাই নিজৰ চোলাৰ মোনাত হাত সুমুৱাই একোকে নোপোৱাত মগনিয়াৰজনক উদ্দেশ্যি প্ৰশ্নোদ্ধৃত কথাখিনি কৈছিল। এদিন কবি দুৱৰাই বাটেদি গৈ আছিল। হঠাতে তেওঁৰ সন্মুখত বেমাৰী বুঢ়া হাড়-ছাল ওলোৱা মগনিয়াৰ আহি থিয় দিলেহি। মগনিয়াৰজনৰ ওঁঠ শেতা, চকু দুটা ৰঙা আৰু গাত ফটা কাপোৰ, চকুত দৰিদ্ৰতাৰ জলন্ত শোক লগা দৃশ্য দেখা যায়।

মগনিয়াৰজনে উখহা অপৰিস্কাৰ হাত মেলি সহায় বিচাৰিলে। কবি দুৱৰাই চোলাৰ মোনাত হাত সুমুৱাই একোকে নেপালে। টকা, ঘড়ী, ৰুমাল একোৱেই অনা নাছিল। মগনিয়াৰজনৰ কঁপা হাত দুখনত সাৱতি ধৰি কবিয়ে প্ৰশ্নোদ্ধৃত কথাখিনি কৈছিল।

**দীঘলীয়া প্ৰশ্ন (আৰ্হি প্ৰশ্ন নং ১) – মূল্যাংকঃ ৪**

প্ৰশ্ন ১.মগনিয়াৰ শীৰ্ষক কথা-কবিতাটিৰ সাৰংশ লিখা ।

উত্তৰঃ কবি যতীন্দ্ৰনাথ দুৱৰাই এদিন বাটেৰে গৈ আছিল । তেনেতে এটা বুঢ়া বেমাৰী হাড়-ছাল ওলোৱা মগনিয়াৰ আহি কবি দুৱৰাৰ সন্মুখত থিয় হৈছে । মগনিয়াৰজনৰ ওঁঠ শেতা, চকু দুটা ৰঙা আৰু গাত ফটা কাপোৰে দৰিদ্ৰতাৰ শোকদায়ক ছবি দাঙি ধৰিছে । মগনিয়াৰজনে তাৰ উখহা অপৰিস্কাৰ হাত এখন মেলি কবিক সহায় খুজিলে । কবিয়ে মোনাত হাত সুমুৱাই একোকে নাপালে । টকা, ঘড়ী আনকি এখন ৰুমালো কবিৰ লগত নাছিল । মগনিয়াৰজনৰ দুৰ্বল কঁপি থকা শৰীৰ দেখি লৰালৰি কৈ ওচৰলৈ গৈ কবিয়ে হাত দুখনক সাৱতি ধৰি একোৱেই লগত নথকাৰ কথা কৈ খং নকৰিবলৈ কলে ।

মগনিয়াৰজনে শেতা ওঁঠ দুখনৰে হাঁহি হাতত ধৰি কবিয়ে দেখুওৱা সহানুভূতিৰ বাবে অশেষ ধন্যবাদ জনালে । লগতে, মগনিয়াৰজনে তেনে মানৱীয়তা আৰু সহানুভূতিক এক প্ৰকাৰ দান (ধন্যবাদ)  বুলিলে । কবি দুৱৰাই শেষত তেওঁৰ এজন লগৰীয়াৰ পৰা দান পোৱা বুলি কৈ ৰূপকাত্মক অৰ্থ প্ৰকাশ কৰিছে । পাঠটিৰ/বাক্যটিৰ মুখ্য কেন্দ্ৰস্থ ভাৱ হৈছে দৰিদ্ৰতা আৰু সেই দৰিদ্ৰতাৰ প্ৰতি থকা কবিৰ আন্তৰিকতা ।

প্ৰশ্ন ২.‘মগনিয়াৰ’ পাঠটিত কথা-কবিতাৰ কি কি লক্ষণ পৰিস্ফুট হৈছে ?
উত্তৰঃ মগনিয়াৰ পাঠটিত কথা-কবিতাৰ প্ৰায়বোৰ লক্ষণেই বিৰাজ কৰা দেখা যায় ।

(১) মগনিয়াৰ পাঠটিত উল্লেখিত ভাব কবিত্বময়ী কথা লিখাৰ এক ভংগী বুলি কব পাৰি ।

(২) কথা-কবিতাটিত ৰূপকৰ সমাৱেশ দেখা যায় । কবি দুৱৰাই মগনিয়াৰজনৰ পৰা পোৱা দানক ৰূপকাত্মক অৰ্থ প্ৰকাশ কৰিছে ।
(৩) মগনিয়াৰ কবিতাটি চিত্ৰধৰ্মী, এটা সম্পূৰ্ণ ছবি কথা-কবিতাৰ মাজত বিৰাজমান ।

(৪) ‘মগনিয়াৰ’ কথা কবিতাটিৰ মাজত এটা সম্পূৰ্ণ ভাব ফুটি উঠিছে। মগনিয়াৰ আৰু কবিৰ মাজৰ যি আন্তৰিকতা তাক এক কেন্দ্ৰস্থ ভাৱত ফুটি উঠিছে।

প্ৰশ্ন ৩.কবি যতীন্দ্ৰনাথ দুৱৰাৰ সাহিত্য-কৃতিৰ এটি চমু পৰিচয় দাঙি ধৰা।

উত্তৰঃ কবি যতীন্দ্ৰনাথ দুৱৰাই ঘাইকৈ কথা কবিতাৰ জনক। ছাত্ৰাৱস্থাৰ পৰাই তেওঁ কবিতা ৰচনা কৰিছিল। তেওঁ ৰচিত কাব্যপুথিসমূহ হ’ল- ওমৰ তীৰ্থ, আপোন সুৰ, বনফুল, মিলনৰ সুৰ আৰু মৰমৰ সুৰ। ‘কথা কবিতা’ তেওঁৰ একমাত্ৰ কথাকবিতাৰ পুথি ফাৰ্চী ছুফী কবি ওমৰ খায়ামৰ ৰুবায়তৰ প্ৰথম অসমীয়ালৈ ভাবানুবাদ কৰি দুৱৰাই ‘ওমৰ তীৰ্থ’ পুথিখন ৰচনা কৰে।

‘বনফুল’ কবিতাপুথিৰ বাবে দুৱৰাই সাহিত্য অকাদেমি বঁটা লাভ কৰে। এই বঁটা লাভ কৰা তেৱেঁই প্ৰথম অসমীয়া। ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিবেশনত দুৱৰাই সভাপতিত্ব কৰিছিল।

প্ৰশ্ন ৪.মগনিয়াৰ পাঠটি ক’ৰ পৰা সংগ্ৰহ কৰা হৈছে? পাঠটিৰ মূল ভাবটি তোমাৰ ভাষাত লিখা।

উত্তৰঃ ‘মগনিয়াৰ দুৱৰাৰ ‘কথা কবিতা’ নামৰ পুথিখনৰ পৰা লোৱা হৈছে। পাঠটিৰ মূলভাৱ তলত দিয়া হ’লঃ

কবি যতীন্দ্ৰনাথ দুৱৰা এদিন বাটেদি গৈ থাকোতে হাড়-ছাল ওলোৱা এজন মগনিয়াৰৰ সৈতে দেখা হ’ল। মগনিয়াৰজনৰ ওঁঠ শেতা, চকু দুটা ৰঙা, পিন্ধনৰ ফটা কাপোৰ দৰিদ্ৰতাৰ শোকদায়ক ছবি দাঙি ধৰিছে। মগনিয়াৰজনে উখহা অপৰিস্কাৰ হাত মেলি কবিক সহায় বিচাৰিলে। কবিয়ে মোনাত হাত সুমুৱাই একোকে নেপালে। কবিয়ে নিজৰ লগত

টকা, ঘড়ী, ৰুমাল একোৱেই অনা নাছিল। দুখজনক সেই দৃশ্য কবিৰ সহ্য নহ'ল সমস্ত আন্তৰিকতা উজাৰি দি কবিয়ে মগনিয়াৰৰ দুখত সাৱতি ধৰিলে আৰু তেওঁৰ ওচৰত দিবলৈ যে একোৱেই নাই তাকে কৈ দুখ প্ৰকাশ কৰিলে।

পিছে মগনিয়াৰজনে যেন নভবা কিবা এক আন্তৰিকতাৰে কবিৰ দুচকুত লাভ কৰিলে। এয়াই মগনিয়াৰজনৰ বাবে এক বিশেষ দান। শেতা ওঁঠ দুটিৰে মগনিয়াৰজনে এই দানৰ বাবে কবিক অন্তৰেৰে ধন্যবাদ জনালে। লগতে, মগনিয়াৰজনৰ প্ৰতি কবিয়ে প্ৰকাশ কৰা সহানুভূতিক একপ্ৰকাৰ দান বুলিলে।

কবিতাটোৰ কেন্দ্ৰীয় ভাব হৈছে মানৱ মনৰ আন্তৰিকতা, মানৱীয়তা। পাৰ্থিৱ বস্তুৰে পূৰাব নোৱাৰা অভাৱ আন্তৰিকতাৰেও পূৰ হৈ যায়। মগনিয়াৰজন দৰিদ্ৰ হালত তাৰ মনত আন্তৰিকতাৰ অভাৱ হোৱা নাছিল। কবিয়ে মগনিয়াৰৰ জৰিয়তে মানবীয় অনুভূতিৰ জয়কেই সাব্যস্ত কৰিছে।

প্ৰশ্ন ৫.'মগনিয়াৰ' পাঠটিৰ কবি আৰু মগনিয়াৰজনৰ মাজত হোৱা কথোপকথনখিনি তোমাৰ ভাষাত লিখা।

উত্তৰঃ এদিন কবি বাটেদি গৈ থাকোতে বুঢ়া, হাড়-ছাল, ওলোৱা মগনিয়াৰ এজনে কবিক ভিক্ষা খুজিলে। সেই সময়ত কবিৰ হাতত একোৱেই নাছিল। টকা, ঘড়ী আনকি এখন ৰুমালো নাছিল। এনেদৰে থাকিব নোৱাৰি কবিয়ে ল'ৰা লৰিকৈ মগনিয়াৰ জনৰ দুহাত সাবটি ধৰি কৈ উঠিল- "ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।"

মগনিয়াজনে আচৰিত হৈ এবাৰ কবিৰ ফালে চালে আৰু অলপ হাঁহিলে তাৰ পিছত কবিৰ হাত দুখনত ধৰি অতি কষ্টৰে মাত লগালে- "কি হল একো কথা নাই- ইয়াৰ কাৰণে অশেষ ধন্যবাদ- ইও যে এটা দান।" কবিয়েও এজন লগৰীয়াৰ পৰা এটা দান পালে।